অধ্যায় ১১ ঃ ষ্ট্রচনৰ ব্যক্তিৰ ধাৰণা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ব্যক্তিৰ ধাৰণা কি?
১১.৪ কর্তৃত্ববিহীন মতবাদ (No-ownership theory) সম্বন্ধে ষ্ট্রছনৰ অভিমত
১১.৫ ডেকার্টপন্থী মতবাদ (Cartesianism) সম্বন্ধে ষ্ট্রছনৰ অভিমত
১১.৬ P আৰু M বিধেয় সম্বন্ধে ষ্ট্রছনৰ অভিমত
১১.৬.১ P- বিধেয় সম্বন্ধে ষ্ট্রছনৰ ধাৰণা
১১.৬.২ ষ্ট্রছনৰ P- বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নার্ড উইলিয়ামচৰ অভিমত
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্রগতিৰ খতিয়ান
১১.১০ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব,
- ডেকার্টপন্থীসকলৰ ব্যক্তিৰ ধাৰণা জানিব পাৰিব,
- কর্তৃত্ববিহীন মতবাদ বর্ণনা কৰিব পাৰিব,
- কর্তৃত্ববিহীন মতবাদৰ আসোঁৱাহ আলোচনা কৰিব পাৰিব,
- P- বিধেয়ৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- P- আৰু M- বিধেয়ৰ মাজত পার্থক্য দেখুৱাব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টিত ষ্ট্র'ছনৰ (Strawson) ব্যক্তিৰ ধাৰণা সম্বন্ধে পৰিচয় আগবঢ়োৱা হৈছে। ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটো তেওঁৰ বিখ্যাত গ্রন্থ 'Individuals' ৰ তৃতীয় অধ্যায় 'Essays in Descriptive Metaphysics'-ত সন্নিৱিষ্ট কৰা হৈছে। তেওঁ ইয়াত জগত সম্বন্ধে আমাৰ চিন্তাৰ যথার্থ প্রকৃতি আৰু গঠন বর্ণনা কৰিছে। কিন্তু পুনৰীক্ষণ অধিবিদ্যাৰ (Revisionary Metaphysics) দৰে এক উন্নত পর্যায়ৰ গঠন আগবঢ়াবলৈ চেষ্টা কৰা নাই। এই অধ্যায়ত

সন্নিৱিষ্ট কৰা মৌলিক ধাৰণাসমূহ হ'ল -

- ষ্ট্রছনৰ মতে ব্যক্তি কি?
- ডেকার্টৰ দ্বৈতবাদৰ সম্পর্কে ষ্ট্রচনৰ বিশ্লেষণ।
- ষ্ট্রছনৰ P আৰু M বিধেয়ৰ মাজৰ পার্থক্য।
- ষ্ট্রছনৰ P- বিধেয়ৰ ধাৰণাৰ বিষয়ে বার্নাড উইলিয়ামচৰ অভিমত।

১১.৩ ব্যক্তিৰ ধাৰণা কি?

সাধাৰণতে 'ব্যক্তি' শব্দটো 'মানুহ' শব্দৰ সমার্থক হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু ষ্ট্রছনৰ দৃষ্টিভংগীত 'ব্যক্তি' শব্দটো এক বিশেষ অর্থত ব্যৱহাৰ কৰা হৈছে যদিও ই সাধাৰণ অর্থৰ পৰা পৃথক নহয়।

ষ্ট্রছনে প্রথমে ব্যক্তি (Persons) আৰু অব্যক্তি (Non-person) ৰ মাজত পার্থক্য নিৰূপণ কৰিবলৈ প্রয়াস কৰিছে। তেওঁ ব্যক্তি আৰু তেওঁলোকৰ অৱস্থাতিক বুজাবলৈ 'আমি নিজে আৰু আমাৰ নিজৰ অৱস্থিতি' (Ourselves and states of ourselves)- এই অভিব্যক্তিটো ব্যৱহাৰ কৰিছে। আনহাতে, 'যিটো আমাৰ নিজৰ নহয় অথবা নিজৰ অৱস্থিতি নহয়' (What is not ourselves or states of ourselves)- এই অভিব্যক্তিটো অব্যক্তি আৰু তেওঁলোকৰ অৱস্থিতিক বুজাবলৈ ব্যৱহাৰ কৰিছে। সাধাৰণতে আমি যেতিয়া নিজৰ কথা কওঁ তেতিয়া আমাৰ নিজৰ ক্ষেত্রত বহুতো বস্তু আৰোপ কৰোঁ। যেনে- ক্রিয়া আৰু অভিপ্রায় (মই ভাবো, মোৰ ভোক লাগিছে), প্রত্যক্ষ আৰু স্মৃতি (মই এইটো দেখো, মনত ৰাখো) ইত্যাদি। আকৌ, আমি কিছুমান আকস্মিক ক্রিয়া যেনে- সংবেদন, প্রত্যক্ষ আৰু অনুভৱৰ মাধ্যমেৰে কেৱল আমাৰ নিজৰ কথাকে নকওঁ, আনকি, উচ্চতা, ওজন, বৰণ, আকাৰ, আকৃতি আদি তুলনামূলকভাৱে স্থায়ী বৈশিষ্ট্যৰ মাধ্যমেৰেও আমি আমাৰ নিজৰ কথা কওঁ। যেনে- মই পাঁচফুট ওখ, মোৰ ওজন ৫০ কিলোগ্রাম, মই বগা আদি।

ষ্ট্র'ছনে উল্লেখ কৰিছে যে আমাৰ নিজৰ বিষয়ে কোৱাৰ এই ধৰণ দুটাৰ মাজত পার্থক্য আছে। উচ্চতা, ওজন, বৰণ, আকাৰ আৰু আকৃতিৰ মাধ্যমত আমাৰ নিজৰ বিষয়ে উল্লেখ কৰাৰ দ্বিতীয় বিধ প্রকাৰত আমি জড় বস্তুৰ কথা উল্লেখ কৰাৰ দৰে হয় (খৰিডাল পাঁচফুট ওখ, ইয়াৰ ওজন ৫০ কিলো, ইয়াৰ বৰণ মুগা)। কিন্তু ক্রিয়া আৰু অভিপ্রায়, সংবেদনশীলতা, চিন্তা আৰু অনুভৱ আদিৰ মাধ্যমত নিজৰ বিষয়ে উল্লেখ কৰাৰ প্রথমবিধ প্রকাৰ জড় বস্তুৰ ক্ষেত্রত প্রযোজ্য নহয়। এই চেতনাযুক্ত অৱস্থাসমূহ কেৱল আমাৰ মাজতহে প্রযোজ্য। ষ্টছনে এই ক্ষেত্রত কৈছে যে যেতিয়া আমি নিজকে পাঁচফুট ওখ আৰু সুখী বা খঙাল বুলি কওঁ তেতিয়া আমি একেটা বস্তুতে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰোঁ। এইদৰে ষ্টছনে একে সময়তে একে অর্থত দৈহিক অৱস্থা আৰু চেতন অৱস্থা উভয়কে স্বীকাৰ কৰিছে। আন কথাত ক'বলৈ হ'লে আমি ক'ব পাৰো যে ষ্ট্রছনে শৰীৰ আৰু

মনৰ মাজৰ দ্বৈতবাদ স্বীকাৰ নকৰে, যিহেতু একেজন ব্যক্তিকে তেওঁৰ চিন্তা আৰু অনুভৰ অথবা তেওঁৰ উচ্চতা আৰু ওজন উভয় অৱস্থাৰ মাজেৰেই উল্লেখ কৰিব পৰা যায়।

ষ্ট্রছনৰ মূল ধাৰণাটো হ'ল একে সময়তে একেটা বস্তুত অর্থাৎ ব্যক্তিৰ ক্ষেত্রত দৈহিক গুণ আৰু চেতন অৱস্থা- উভয়কে আৰোপ কৰিব পাৰি। তেওঁৰ এই মূল ধাৰণাটো দুটা সম্ভাব্য প্রতিক্রিয়া (reaction) ষ্ট্রছনে আলোচনা কৰিছে। এই অভিযোগ বা প্রতিক্রিয়া কেইটাই উল্লেখ কৰিছে যে একেটা বস্তুতে যে আমি উভয় অৱস্থাকে আৰোপ কৰো, সেয়া হ'ল এক ভাষিক ভ্রম (Linguistic illusion)। ষ্ট্রছনে আলোচনা কৰা প্রথম অভিযোগটো ডেকার্টপন্থীসকলৰ পৰা আহিছে। তেওঁলোকৰ মতে, প্রকৃতার্থত এজন ব্যক্তি হ'ল দুটা স্বতন্ত্র পদার্থ বা বস্তুৰ সমাহাৰ। ইয়াৰ প্রত্যেকৰে নিজা গুণ আৰু বৈশিষ্ট্য আছে। এই পদার্থ বা বস্তুৰ কোনো গুণ বা বৈশিষ্ট্যই আনটোৰ গাত থাকিব নোৱাৰে। সেয়েহে একেটা বস্তুতে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব পাৰি বুলি কোৱা ষ্ট্রছনৰ অভিমতৰ বিৰুদ্ধে ডেকার্ট পন্থীসকলে অভিযোগ কৰিছে। তেওঁলোকে কৈছে যে চেতন অৱস্থা এটা দ্রব্যৰ ক্ষেত্রত আৰোপ কৰা হয় আনহাতে, দৈহিক গুণ বা অৱস্থা আনটো দ্রব্যৰ ক্ষেত্রত আৰোপ কৰা হয়।

১১.৪ কর্তৃত্ববিহীন মতবাদ সম্বন্ধে ষ্ট্রচনৰ অভিমত

ষ্ট্রছনে কৈছে যে তেওঁৰ ধাৰণাৰ বিৰুদ্ধে দ্বিতীয় অভিযোগটো উইট্‌গেনষ্টাইন (Wittgenstein) আৰু শ্লিক (Mortiz Schlick)ৰ ফালৰ পৰা আহিছে। এই অভিযোগ অনুসৰি, আমাৰ চেতন অৱস্থাসমূহ কোনো বস্তুতেই আৰোপ কৰিব নোৱাৰি। এই অভিমতটোকে ষ্ট্রছনে নিজৰ কর্তৃত্ববিহীন (No-ownership) অথবা 'উদ্দেশ্যহীন' (No-subject) মতবাদ বুলি কৈছে। এই কর্তৃত্ববিহীনতাৰ মতবাদ বিশ্লেষণ কৰিবলৈ যাওঁতে ষ্ট্রছনে উইট্‌গেনষ্টাইনে আগবঢ়োৱা এক দৃষ্টান্তৰ সহায় লৈছে। উইট্‌গেনষ্টাইনে দুটা বাক্যত ব্যৱহৃত হোৱা 'মই'ৰ ব্যৱহাৰ উল্লেখ কৰিছে। যেনে- 'মোৰ দাঁত বিষাইছে' (I have a toothache) আৰু মোৰ এটা বেয়া দাঁত আছে' (I have a bad tooth), এই বাক্য দুটা যদিও ব্যাকৰণৰ দিশৰ পৰা একে, তথাপি কিন্তু সিহঁত প্রকৃতিগতভাৱে সম্পূর্ণ পৃথক।

'মোৰ এটা বেয়া দাঁত আছে' (I have a bad tooth) বাক্যটোৱে বুজাইছে যে মোৰ মুখত এটা বেয়া দাঁত আছে। যেতিয়া মই কওঁ 'মোৰ এটা জুইশলা আছে (I have a match box) তেতিয়া মোৰ এটা জুইশলা বাকচ থকাৰ দৰে একে অর্থত মোৰ এটা বেয়া দাঁত থকা কথাটো বুজোৱা হৈছে। এই বাক্যটোৰ উল্লেখিত 'মই বা মোৰ' (I) যৌক্তিকভাৱে এজন পৃথক ব্যক্তি 'Skinner' ৰ সমার্থক। কাৰণ, Skinner ৰ এটা জুইশলা বাকচ থকা কথাটোতকৈ মোৰ এটা জুইশলা বাকচ থকা কথাটোৰ কোনো বিশেষ পার্থক্য নাই। ইয়াত 'I' আৰু 'Skinner'ক একে পর্যায়ত ৰাখি আমি কেৱল দৈহিক দিশটোৰ ওপৰতহে গুৰুত্ব প্রদান

কৰিছোঁ। এইদৰেই সেই বাক্যটোত 'I' আৰু 'Skinner' উভয়কে কেৱল জড় বস্তু হিচাপেহে জ্ঞান কৰা হৈছে। 'I' শব্দটোৰ এই ব্যৱহাৰ 'থকা' অর্থত লোৱা হৈছে। কিন্তু 'I' ৰ থকা অর্থতো 'I have a toothache' বাক্যটোৰ দ্বাৰা নির্দেশিত অর্থতকৈ পৃথক। দাঁতৰ বিষ হ'ল এক অভিজ্ঞতা, ই এক চেতন অৱস্থাক বুজায়। কিন্তু উইট্‌গেনষ্টাইনৰ মতে এনে অভিজ্ঞতা কোনো লোকৰে থাকিব নোৱাৰে। সেয়েহে অভিজ্ঞতা আহৰণ কৰাৰ বাবে 'মই' (ego)ৰ কোনো স্থান নাই।

ষ্ট্রছনে উইট্‌গেনষ্টাইনৰ দৃষ্টিভংগীৰে 'থকা' ক্রিয়াৰ (the verb to have) দুটা অর্থৰ মাজত পার্থক্য নিৰূপণ কৰিছে (having and having)। 'থকা'ৰ প্রথম অর্থটোৱে এটা জুইশলা বাকচ অথবা এখন গাড়ীৰ নিচিনা যৌক্তিকভাৱে কর্তৃত্ব সলনি কৰিব পৰা কথাটোক বুজাইছে। কিন্তু দাঁতৰ বিষৰ দৰে কিছুমান অভিজ্ঞতা সেই একে অর্থত লাভ কৰিব নোৱাৰি কাৰণ, ইয়াৰ কর্তৃত্ব সলনি কৰিব নোৱাৰি। ই 'থকা'ৰ (having) দ্বিতীয় অর্থটোক বুজাইছে আৰু প্রকৃতার্থত ইয়াক থকা বুলি ক'ব নোৱাৰি। গতিকে, কোনো ব্যক্তিৰ দ্বাৰাই অভিজ্ঞতা আহৰণ কৰা নহয়, কেৱল যৌক্তিকভাৱে কোনো বিশেষ বস্তুৰ ওপৰত নির্ভৰ কৰা দৃষ্টিভংগীৰ ফালৰ পৰাহে ইয়াক মানি ল'ব পাৰি। কিন্তু ডেকার্টৰ দৃষ্টিভংগীত যৌক্তিকভাৱে কর্তৃত্ব সলনি কৰিব নোৱাৰা অর্থত এজন ব্যক্তিয়ে অভিজ্ঞতা আহৰণৰ কর্তৃত্ব প্রদান কৰাৰ ক্ষেত্রত 'মই'ক মিছা প্রতিপন্ন কৰা হৈছে। কিন্তু কর্তৃত্ববিহীন মতবাদৰ সমর্থকসকলে কয় যে যিহেতু সলনি কৰিব নোৱাৰা কর্তৃত্ব সম্ভৱ নহয়, গতিকে 'মই' (ego) বোলা ধাৰণাটো কল্পনা কৰি লোৱাৰ কোনো প্রয়োজন নাই আৰু সেয়ে 'মই' (ego)ক কর্তৃত্ব লাভ কৰাৰ ক্ষেত্রত অপসাৰণ বা বর্জন কৰাহে যুক্তিসংগত।

তথাপি কিন্তু ষ্ট্র'ছনে কর্তৃত্ববিহীন মতবাদটো আসোঁৱাহমুক্ত বুলি নাভাবে। তেওঁৰ মতে কর্তত্ববিহীন মতবাদে যৌক্তিকভাৱে সলনি কৰিব পৰা কর্তৃত্বৰ ওপৰতহে বিশ্বাস কৰে যাতে 'I have X (a match box)' উক্তিটো সম্ভাব্য হ'ব পাৰে, কাৰণ যিটো বস্তু বর্তমান মোৰ আছে সেই একেটা বস্তু অতীতত আন কাৰোবাৰো থাকিব পাৰে। তেওঁলোকেও বিশ্বাস কৰে যে আমাৰ অভিজ্ঞতাসমূহ আন কাৰোবাৰ থাকিব পাৰে এই অর্থতেই যে সেইবোৰ যৌক্তিকভাৱে কোনো এটা বিশেষ বস্তুৰ অৱস্থিতিৰ ওপৰত নির্ভৰশীল। গতিকে আমাৰ অভিজ্ঞতাসমূহ আহৰণ কৰা কথাটো নিশ্চিতভাৱে কর্তৃত্ব সলনি কৰিব পৰা অর্থতে গ্রহণ কৰিব লাগিব। ইয়াৰ দ্বাৰা বুজোৱা হৈছে 'I have a toothache' উক্তিটোও এটা সম্ভাব্য উক্তি। এই উক্তিটোৱে কর্তৃত্ববিহীন মতবাদৰ সমর্থক সকলৰ বাবে এনেধৰণৰ হ'ব ঃ " All my toothaches are bad by body B." ইয়াত ষ্ট্রছনে উল্লেখ কৰিছে যে তেওঁলোকৰ নিজৰ দৃষ্টিভংগীক বিৰোধিতা নকৰাকৈ থকা অর্থত 'মোৰ' (my) শব্দটো বর্জন কৰিব নোৱাৰে। এটা বস্তুৰ বাবে 'মোৰ' 'All toothaches are causally dependent upon the states of body B." কাৰণ ই স্বাভাৱিকতেই এটা অসত্য উক্তি। আনহাতে যদি এজন ব্যক্তিয়ে

'মোৰ' (my) শব্দটো স্থানান্তৰ ঘটাই "Person's" অভিব্যক্তি ব্যৱহাৰ কৰে তেতিয়াও তেওঁ সম্বন্ধবাচক শব্দৰ (possessive word) পৰা হাত সাৰিব নোৱাৰে। কিন্তু যদি তেওঁ সেই শব্দটো "body B's" লৈ ৰূপান্তৰ কৰে তেন্তে উক্তিটো হ'ব "All body B's toothaches are causally dependent upon the states of body B."। স্বাভাৱিকতেই এই উক্তিটো তেতিয়া স্বতঃসত্য বা অনিবার্য্য সত্য হ'ব। কিন্তু তেওঁলোকে কৈছে যে সম্বন্ধ প্রকাশক সকলো উক্তি বা বাক্যই সম্ভাব্য, কাৰণ তেওঁলোকে কর্তৃত্ব সলনি কৰিব নোৱাৰা কোনো ধৰণৰ সম্বন্ধতে বিশ্বাস নকৰে। এইদৰে দেখা যায় যে কর্তৃত্ববিহীন মতবাদৰ সমর্থক সকল সংকটত (Dilemma) পৰিছে। তেওঁলোকে সম্বন্ধবাচক শব্দ 'my' বর্জন কৰিব নোৱাৰে আনহাতে যদি বর্জন কৰে তেন্তে তেওঁলোকৰ নিজৰ অৱস্থিতি ধৰি ৰাখিব নোৱাৰে। তেওঁলোকৰ নিজৰ অৱস্থিতিটো হ'ল এয়ে যে- কর্তৃত্ব সদায় সলনি কৰিব পাৰি, যিহেতু সলনি কৰিব নোৱাৰা অর্থত 'মোৰ' (ego) দ্বাৰা অভিজ্ঞতা আহৰণ কৰা হয় বুলি কোৱা হয়, সেয়ে কোনো ব্যক্তিৰ দ্বাৰাই সেইবোৰ লাভ কৰা নহয়। অভিজ্ঞতা আহৰণ কৰা প্রসংগত 'মোৰ' শব্দটো অথবা আন যিকোনো সম্বন্ধবাচক শব্দ যেনে- তোমাৰ, তেওঁৰ, সিহঁতৰ, সেই লোকজনৰ আদি শব্দ বর্জন কৰিব নোৱাৰাৰ কাৰণ হ'ল দাঁতৰ বিষ, মূৰৰ বিষ, সুখ বা দুখ আদিৰ দৰে অভিজ্ঞতাবোৰ এজন ব্যক্তি বা লোকৰ প্রসংগ অবিহনে বুজিব নোৱাৰি। এইক্ষেত্রত ষ্ট্রছনে কৈছে- "কোনো লোকে ক'ব পাৰে, অৱস্থা বা অভিজ্ঞতাসমূহেই বিশেষ বস্তু ৰূপে ব্যক্তিজনৰ পৰিচয় বহন কৰে আৰু সেইটোৱেই হ'ল তেওঁৰ অৱস্থা বা অভিজ্ঞতাসমূহ।" (Individuals () 97)

কর্তৃত্ববিহীন মতবাদৰ এনেধৰণৰ বিসংগতি উল্লেখ কৰি ষ্ট্রছনে প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে যে যৌক্তিকভাৱে কর্তৃত্বহীনতাৰ অর্থত এজন বিশেষ ব্যক্তিৰ দ্বাৰা অভিজ্ঞতা আৰু চেতন অৱস্থাসমূহ অনিবার্যভাৱে আহৰণ কৰা হয়। কাৰণ, এয়া সম্ভৱ নহয় যে এজন ব্যক্তিৰ এক বিশেষ অৱস্থা বা অভিজ্ঞতা আন কাৰোবাৰো থাকিব লাগিব।

এই ক্ষেত্রত ষ্ট্রছনে আকৌ কৈছে যে এক অভিজ্ঞতা বা চেতনাৰ এক বিশেষ অৱস্থা আৰোপ কৰোঁতে ইয়াৰ দুটা দিশ দেখিবলৈ পোৱা যায়। এটা হৈছে নিজৰ ক্ষেত্রত আৰু দ্বিতীয়টো হৈছে আনৰ ক্ষেত্রত। দাঁতৰ বিষৰ অভিজ্ঞতাটো মোৰ নিজৰ ক্ষেত্রত আৰোপ কৰিব পাৰি যেতিয়া মই কওঁ "I have a toothache" আনহাতে, ইয়াক আনৰ ক্ষেত্রতো আৰোপ কৰিব পাৰি যেতিয়া কোৱা যায় 'Mr. X has a toothache' ইয়াত গুৰুত্বপূর্ণ কথাটো হ'ল এয়ে যে দুয়ো ধৰণৰ আৰোপ কৰাৰ ক্ষেত্রত ই একেটা অৱস্থাকে বুজাইছে। উভয় ক্ষেত্রতে দাঁতৰ বিষে একে অর্থকে বহন কৰিছে। অভিধানত দুই ধৰণৰ অর্থ দেখিবলৈ পোৱা নাযায়- এটা এক বিশেষ অৱস্থাৰ প্রথম পুৰুষ (First Person)ৰ বাবে আৰু আনটো দ্বিতীয় আৰু তৃতীয় পুৰুষৰ (Second and third person) এক বিশেষ অৱস্থাৰ বাবে।

আমি দেখিবলৈ পাওঁ যে অভিজ্ঞতা আৰু অৱস্থিতি আৰোপ কৰাৰ দ্বৈত পন্থা অৱলম্বন

কৰি ষ্ট্ৰ'ছনে কৰ্তৃত্ববিহীন মতবাদ আৰু ডেকার্টপন্থী মতবাদৰ দ্বাৰা উদ্ভূত আসোঁৱাহবোৰ আঁতৰ কৰিবলৈ প্ৰয়াস কৰিছে। লগতে আনৰ মনৰ সমস্যা (Problem of other minds) টোৰো সমাধান আগবঢ়াবলৈ চেষ্টা কৰা বুলি আমি ক'ব পাৰোঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১ঃ নিম্নলিখিত উক্তিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰকঃ

(ক) ষ্ট্ৰ'ছনৰ ব্যক্তিৰ ধাৰণাটো তেওঁৰ গ্ৰন্থ *'Individuals'*-ত পোৱা যায়। (শুদ্ধ/অশুদ্ধ)

(খ) ষ্ট্ৰ'ছনে কৈছে যে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আমি একেটা বস্তুতে আৰোপ কৰোঁ। (শুদ্ধ /অশুদ্ধ)

(গ) ডেকার্টপন্থীসকলৰ মতে, এজন ব্যক্তি দুটা স্বতন্ত্ৰ পদাৰ্থ বা বস্তুৰ সমাহাৰ নহয়। (শুদ্ধ /অশুদ্ধ)

(ঘ) দ্বিতীয় প্ৰতিক্ৰিয়া মতে, আমাৰ চেতনাৰ অৱস্থাসমূহ যিকোনো ব্যক্তিৰ ক্ষেত্ৰতেই আৰোপ কৰিব নোৱাৰি। (শুদ্ধ /অশুদ্ধ)

(ঙ) ষ্ট্ৰ'ছনে কৈছে যে কৰ্তৃত্ববিহীন মতবাদ আসোঁৱাহমুক্ত। (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন নং২ঃ ষ্ট্ৰ'ছনৰ মতে ব্যক্তিৰ ধাৰণা বুলিলে আপুনি কি বুজে? (প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্ৰশ্ন নং৩ঃ ডেকার্টপন্থীসকলৰ ব্যক্তিৰ ধাৰণা বুলিলে আপুনি কি বুজে? (প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্ৰশ্ন নং৪ঃ কৰ্তৃত্ববিহীন মতবাদ কি? (প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....



চিন্তা চৰ্চা কৰক ঃ ১১.১

- কৰ্তৃত্ববিহীন মতবাদৰ কিবা আসোঁৱাহ আছেনে? আলোচনা কৰক।

উত্তৰঃ .....

.....

১১.৫ ডেকার্টপন্থী মতবাদৰ ওপৰত ষ্ট্রছনৰ অভিমত

ডেকার্টে দুবিধ দ্রব্যৰ কথা উল্লেখ কৰিছে - সেয়া হৈছে - মন আৰু শৰীৰ। ইহঁতৰ প্রত্যেকেই আনটোৰ পৰা স্বভাৱগতভাৱে পৃথক। মন হ'ল বিস্তৃতিহীন আৰু শৰীৰ হ'ল বিস্তৃতিযুক্ত। সেয়েহে তেওঁ কৈছে যে দৈর্ঘ, প্রস্থ, উচ্চতা, ওজন আদি যিকোনো দৈহিক গুণ মনৰ থাকিব নোৱাৰে। আকৌ চিন্তা, অনুভৱ, ইচ্ছা আদি যিকোনো চেতন অৱস্থাও শৰীৰৰ থাকিব নোৱাৰে। গতিকে, তেওঁৰ মতে একেটা বস্তুতে সেই দুয়ো ধৰণৰ গুণ আৰোপ কৰাটো মুঠেই সম্ভৱ নহয়। আমি ক'ব পাৰো যে অভিজ্ঞতা আৰু চেতনাৰ সকলো অৱস্থাই 'মই' (ego)ত আৰোপ কৰা হয়। এই 'মই' (ego)য়েই হ'ল আমাৰ অভিজ্ঞতাসমূহৰ গৰাকী।

কিন্তু আমাৰ অভিজ্ঞতা আহৰণ কৰাৰ ক্ষেত্রত ডেকার্টপন্থীসকলৰ মনৰ (ego) ধাৰণাটোৰ এটা অতি গুৰুত্বপূর্ণ অসুবিধা বুলি ষ্ট্রছনে আঙুলিয়াই দিছে। অসুবিধাটো এয়ে যে কোনো বস্তুৰ ক্ষেত্রত এক অভিজ্ঞতা বা অৱস্থা আৰোপ কৰিবলৈ হ'লে সেই বস্তুটো চিনাক্তকৰণ যোগ্য (identifiable) আৰু পৃথক অস্তিত্বযুক্ত (individualizable) হ'বই লাগিব। কিন্তু সমস্যাটো হ'ল এয়ে যে দৈহিক গুণ অবিহনে এটা মন (ego)ৰ চিনাক্তকৰণ কৰা সম্ভৱ নহয় আৰু তাৰ পৃথক অস্তিত্বও পাব নোৱাৰি; অর্থাৎ আমি মন (ego) বুলি কোনো বস্তুকে নির্দেশ কৰিব নোৱাৰোঁ। কাৰণ, আকাৰ, আকৃতি, ৰং বা অন্য দৈহিক গুণ অবিহনে কোনো বস্তুকে 'এইটো' (it) বুলি নির্দেশ কৰিব পৰা নাযায়। 'এইটো' মানে এটা বস্তুক বুজায় যি অন্য বস্তুবোৰৰ পৰা পৃথক। এই পৃথকত্বৰ মূল ভিত্তিটোৱে হ'ল ৰং, আকাৰ, আকৃতি আদিৰ দৰে দৈহিক গুণবোৰ। এটা বস্তু পৃথক বুলিলে ইয়াকে বুজা যায় যে ইয়াৰ বিশেষ অস্তিত্ব আৰু পৰিচয় আছে। কিন্তু আমাৰ মনক (ego) দৈহিক গুণ অবিহনে সেইদৰে চিনাক্ত কৰিব পৰা নাযায়। সেয়েহে আমাৰ মনৰ (ego) ওপৰত অভিজ্ঞতা আৰু অৱস্থাসমূহ আৰোপ কৰাটো যুক্তিসংগত নহয়।

ষ্ট্রছনে ডেকার্টপন্থী মতবাদৰ এক আসোঁৱাহ (defence) আলোচনা কৰিছে। আমাৰ চেতনাৰ ভিত্তি অথবা মনটোক বিশেষ শৰীৰৰ প্রসংগত পৰোক্ষভাৱে একে বুলি ভাবিব পাৰি, যাৰ লগত আমাৰ মনটোৰ এক বিশেষ সম্পর্ক থাকে। কিন্তু এনে ধৰণৰ সমাধান মূল্যহীন কাৰণ, তেতিয়া আমাৰ শৰীৰতকৈ মনটোৰ (ego) ওপৰত অভিজ্ঞতাসমূহ আৰোপ কৰাৰ কোনো ভিত্তি নাথাকিব। তাৰোপৰি একেটা শৰীৰৰ লগত জড়িত এটাতকৈ অধিক মনৰ সম্ভাৱনা আমি নুই কৰিব নোৱাৰো। তেওঁ কৈছে "শৰীৰৰ স্বকীয়তাই ডেকার্টৰ আত্মাৰ স্বকীয়তা সম্বন্ধে নিশ্চয়তা প্রদান কৰিব নোৱাৰে।" (*Individuals,* 101)

এই সমস্যাটোৰ পৰা পৰিত্রাণ পোৱাৰ উপায় হিচাপে ষ্ট্রছনে ব্যক্তিৰ ধাৰণাটোৰ মৌলিকত্ব স্বীকাৰ কৰিছে। তেওঁ কৈছে, "ব্যক্তিৰ ধাৰণা বুলিলে মই অস্তিত্ব (entity) সম্বন্ধীয় এক প্রকাৰ (type)ৰ ধাৰণাক বুজো য'ত চেতন অৱস্থাসমূহ আৰু দৈহিক গুণ, দৈহিক অৱস্থিতি আদি উভয় প্রকাৰৰ বিধেয়ই সেই ধৰণৰ এজন নির্দিষ্ট ব্যক্তিৰ ক্ষেত্রত সমানে

প্রযোজ্য। (*Individuals,* (p) 101-102)

ষ্ট্র'ছনে যে ব্যক্তিৰ ধাৰণাটোক এক মৌলিক ধাৰণা বুলি কৈছে তাক ভাবিবলৈ বাধ্য- এহাতে অভিজ্ঞতাৰ এক বিষয় আৰু আনহাতে, দৈহিক গুণসমূহৰ এক বিষয়।" কিন্তু ষ্ট্রছনে এই দ্বৈততা প্রতিপন্ন কৰাৰ ক্ষেত্রত বহুতো অসুবিধা আঙুলিয়াই দিছে। সকলোবোৰ অসুবিধা বিবেচনা কৰি তেওঁ শেষত কৈছে যে ব্যক্তিৰ ধাৰণাটো হ'ল এক ব্যক্তিগত চেতনাতকৈ যৌক্তিকভাৱে পূর্বৱর্তী ধাৰণা।

তেওঁ কৈছে, "ব্যক্তিৰ ধাৰণাটোক এক জীৱ দেহ অথবা এক উদ্ভাসিত জীৱ বুলি বিশ্লেষণ কৰিব নোৱাৰি" (individual)103। তথাপি কিন্তু তেওঁ গৌণ বস্তুৰূপে এটা মনৰ (ego) অস্তিত্বৰ সম্ভাৱনীয়তা নুই কৰা নাই। " এজন ব্যক্তি এক উদ্ভাসিত মন (ego) নহয়, কিন্তু এটা মন অনুদ্ভাষিত ব্যক্তি হ'ব পাৰে যেতিয়া ই এজন ব্যক্তিৰ পৰা যৌক্তিক ভাৱে ব্যক্তিত্বসূচক গুণ লাভ কৰে। (p) 103)

১১.৬ P - আৰু M- বিধেয়ৰ মাজত ষ্ট্র'ছনৰ পার্থক্য

ষ্ট্র'ছনে উল্লেখ কৰিছে যে এজন লোকে চেতন অৱস্থাসমূহ নিজৰ ক্ষেত্রত আৰোপ কৰিব পাৰে কেৱল তেতিয়াহে যেতিয়া তেওঁ সেইবোৰ আনৰ গাত আৰোপ কৰে বা আৰোপ কৰিবলৈ প্রস্তুত থাকে। নিজৰ লগতে আন সকলোবোৰেই হ'ল এক অস্তিত্বৰ প্রকাৰ যিয়ে একে সময়তে চেতন অৱস্থা আৰু দৈহিক গুণ উভয়কে প্রকাশ কৰিবই। ইয়াত ষ্ট্র'ছনে ব্যক্তিৰ ক্ষেত্রত প্রযোজ্য দুই ধৰণৰ বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰিছে। প্রথমবিধ বিধেয়ক জড় বস্তুৰ ক্ষেত্রত প্রয়োগ কৰিব পাৰি কিন্তু এই জড় বস্তুৰ ক্ষেত্রত চেতন অৱস্থা কেতিয়াও প্রয়োগ কৰিব নোৱাৰি। এই প্রথমবিধ বিধেয়ক তেওঁ M - বিধেয় বুলি কৈছে। ইয়াৰ উদাহৰণ হ'ল - 'দহোটা শিল জুখিছে', 'বহা কোঠাত আছে' আদি। ব্যক্তিৰ ক্ষেত্রত প্রযোজ্য আন সকলো বিধেয়ই দ্বিতীয়বিধ বিধেয়ৰ অন্তর্ভূক্ত। ইয়াৰ উদাহৰণ হ'ব- 'হাঁহি আছে', 'খোজ কাঢ়ি আছে', 'বিষাইছে', 'খুব চিন্তা কৰি আছে' আদি।

ষ্ট্র'ছনে স্পষ্টভাবে কৈছে যে এই দুয়ো ধৰণৰ বিধেয়কে একেটা বস্তু অর্থাৎ ব্যক্তিৰ ক্ষেত্রত আৰোপ কৰা হয়। ব্যক্তিৰ ধাৰণাটো এক মৌলিক ধাৰণা এই অর্থতেই যে ইয়াক মন আৰু শৰীৰলৈ বিশ্লেষণ কৰিব পৰা নাযায়, কাৰণ এজন ব্যক্তি এটা মন আৰু এটা শৰীৰৰ সমষ্টি নহয়। তেওঁ আকৌ কৈছে যে 'I' আৰু 'Smith' ৰ মাজত কোনো 'প্রকাৰৰ সন্দিগ্ধতা' (type ambiguity) নাই। অর্থাৎ 'I' আৰু 'Smith' দুটা বেলেগ প্রকাৰৰ ব্যক্তি নহয়। কিছুমান বিধেয় যেনে- 'বহা কোঠাত আছে', 'শিলেৰে আঘাত কৰা হৈছে' আদিৰ ক্ষেত্রত এনে ধৰণৰ 'প্রকাৰৰ সন্দিগ্ধতা' দেখা যায়, কাৰণ এনে ধৰণৰ বিধেয়সমূহ যেতিয়া ব্যক্তি আৰু জড় বস্তুৰ ক্ষেত্রত প্রয়োগ কৰা হয় তেতিয়া সিহঁতে সম্পূর্ণ পৃথক অর্থ বহন কৰে।

১১.৭ P - বিধেয় সম্বন্ধীয় ষ্ট্র'ছনৰ ধাৰণা

P- আৰু M - এই দুইধৰণৰ বিধেয়ৰ ভিতৰত M- বিধেয়ৰ ক্ষেত্রত কোনোধৰণৰ অসুবিধা দেখা নাযায়, ই হৈছে দৈহিক গুণ আৰোপ কৰা বিধেয়। কিন্তু P- বিধেয়ৰ দ্বাৰা ষ্ট্রছনে বুজোৱা কথাখিনিয়ে এক বিশেষ গুৰুত্ব বহন কৰে। সেয়েহে জড়বস্তুৰ ক্ষেত্রত কোনো ধৰণে প্রয়োগ কৰিব নোৱাৰা সকলো ধৰণৰ গুণকে তেওঁ P- বিধেয়ৰ দ্বাৰা বুজাইছে। আন কথাত ক'বলৈ হ'লে P- বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্রতহে আৰোপ কৰা হয়। কিন্তু সকলো P- বিধেয়ই 'বুধিয়ক' অথবা 'বিষাদ অৱস্থাত আছে' আদিৰ দৰে চেতন অৱস্থা যুক্ত বিধেয় নহয়, তথাপি কিন্তু তেনে বিধেয়সমূহ আৰোপ কৰাৰ ক্ষেত্রত সিহঁতে এক চেতন অৱস্থাযুক্ত হৈ থকাৰ কথাকে সূচায়। সেয়েহে 'খোজ কাঢ়ি আছে' এবিধ চেতনযুক্ত বিধেয় নহয় যিহেতু চেতনাৰ লগত প্রত্যক্ষভাৱে ইয়াৰ কোনো সম্বন্ধ নাই, তথাপি কিন্তু ই এক প্রকাৰ P- বিধেয় কাৰণ ইয়াক স্পষ্টভাৱে ব্যক্তিৰ ক্ষেত্রতহে প্রয়োগ কৰা হয়, আন কোনো বস্তুৰ ক্ষেত্রত নহয়।

এটা P- বিধেয় অন্য লোকৰ আচৰণ বা চৰিত্রৰ পর্যবেক্ষণৰ ভিত্তিত আনৰ ক্ষেত্রত আৰোপ কৰা হয়। কিন্তু অন্যলোকৰ ক্ষেত্রত দেখিবলৈ পোৱা এনে ধৰণৰ আচৰণেই কেৱল একমাত্র ভিত্তি নহয় যাৰ বাবে চেতন অৱস্থাৰ উপস্থিতি অনুমান কৰিব পৰা যায়। ষ্ট্র'ছনে স্পষ্টভাৱে উল্লেখ কৰিছে যে আনৰ গাত P - বিধেয় আৰোপ কৰাৰ ক্ষেত্রত আচৰণেই হ'ল যুক্তিপূর্ণ যথার্থ ভিত্তি। নিজৰ অৱস্থাৰ পৰা আনৰ ক্ষেত্রত চেতন অৱস্থা প্রয়োগ কৰাৰ যি সাদৃশ্য ভিত্তিক যুক্তি (Argument from Analogy) সি মুঠেই যুক্তিসংগত নহয়, কাৰণ ষ্ট্র'ছনে কৈছে যে এক দৈহিক শৰীৰ যুক্ত হৈ থাকিলেহে বস্তু এটা সহজে বোধগম্য হয়। গতিকে আনৰ গাত চেতন অৱস্থাৰ উপস্থিতি সম্বন্ধীয় সংশয়ৰ প্রশ্নই নুঠে। এজন লোকৰ আচৰণে তেওঁৰ গাত এক চেতন অৱস্থা আৰোপ কৰা কথাটো যৌক্তিকভাৱে সাব্যস্ত কৰে। কিন্তু নিজৰ ক্ষেত্রত কেতবোৰ P- বিধেয় প্রয়োগ কৰিবলৈ যাওঁতে তেওঁ এক ভিত্তি ৰূপে এই আচৰণৰ ওপৰত নির্ভৰ নকৰে যেনে - 'খঙাল হয়', 'দুখিত হয়', 'সুখী হয়' আদি। কিন্তু চৰিত্র অথবা ক্ষমতা নির্দেশক কিছুমান অন্য ধৰণৰ P- বিধেয়ৰ ক্ষেত্রত এজন লোকে নিজৰ গাত প্রয়োগ কৰিবলৈ হ'লেও একেটা আচৰণৰ ওপৰত ভিত্তি কৰিব লগা হয়। ইয়াত ষ্ট্র'ছনে এটা সম্ভাব্য অসুবিধা বিবেচনা কৰিছে - সেয়া হ'ল উত্থাপিত প্রশ্নটো পুনৰ সমাধানৰ অসবিধাঃ P - বিধেয়সমূহৰ ভিতৰত প্রথম পুৰুষ নে তৃতীয় পুৰুষত আৰোপ কৰা বিধেয়সমূহ বেছি মৌলিক? ইয়াত দুটা বিপৰীত দৃষ্টিভংগী দেখা যায়। ধৰা হ'ল P - বিধেয় আৰোপ কৰা অভিব্যক্তিৰ সার্বিক ৰূপটো আমি 'Px' বুলি লিখো। এতিয়া এটা দৃষ্টিভংগী অনুসৰি, সাধাৰণ অর্থত 'x' ৰ ঠাইত 'তেওঁ' (he), 'সেই লোকজন' (that person) আৰু আন তৃতীয় পুৰুষৰ সর্বনাম বা বিশেষ্য প্রতিস্থাপিত কৰা যায়। সেই ক্ষেত্রত 'x' ৰ ঠাইত 'I' ৰ ব্যৱহাৰ গৌণ হ'ব, ই যথোপযুক্ত নহ'ব। কিন্তু ষ্ট্র'ছনে কৈছে, " এই বিধেয়সমূহৰ এটা অনিবার্য লক্ষণ হ'ল এয়ে

যে সিহঁতৰ উভয়ৰে প্রথম আৰু তৃতীয় পুৰুষত আৰোপ কৰিব পৰা ব্যৱহাৰ আছে, সিহঁত উভয়কে নিজৰ ক্ষেত্রত আৰোপ কৰিব পৰা যায়--- আৰু আনৰ ক্ষেত্রতো আৰোপ কৰিব পৰা যায়-- ” (P108)। সিহঁতৰ ব্যৱহাৰ জানিবলৈ হ’লে আমি সিহঁতৰ ব্যৱহাৰৰ উভয় দিশকে জানিব লাগিব। অর্থাৎ এই P- বিধেয়সমূহ নিজৰ ক্ষেত্রত আৰোপ কৰিবলৈ হ’লে তেওঁ সেইবোৰ আনৰ গাত কেনেদৰে আৰোপ কৰা হয় জানিব লাগিব। তেওঁ এইটোও ক’ব লাগিব যে আনলোকে সেইবোৰ তেওঁলোকৰ নিজৰ লগতে তেওঁলোকৰ পৰা পৃথক ব্যক্তিসকলৰ ক্ষেত্রতো আৰোপ কৰিব পাৰে। এনে ধৰণে আৰোপ কৰাৰ উভয় প্রকাৰতে ই একেটা বস্তুকে বুজাইছে। ষ্ট্র’ছনে এই ক্ষেত্রত হতাশাগ্রস্ত মানসিক অৱস্থাৰ উদাহৰণ আগবঢ়াইছে। যেতিয়া Mr. X এ কয়, “মই হতাশ হৈছোঁ”, এয়া X ৰ এক অনুভৱ কিন্তু ই হ’ল আনৰ বাবে 'X' ৰ পর্যৱেক্ষণমূলক আচৰণৰ এক বিশেষ অৱস্থা। কিন্তু উভয় ক্ষেত্রতে ই একেটা কথাকে বুজাইছে। ষ্ট্র’ছনে কৈছে, "X" ৰ হতাশা হৈছে একেটা বস্তু যিটো X ৰ দ্বাৰা অনুভৱ কৰা হৈছে কিন্তু পর্যবেক্ষণ কৰা হোৱা নাই, আনহাতে আনৰ দ্বাৰা সেয়া পর্যবেক্ষণ কৰা হৈছে, কিন্তু অনুভৱ কৰা হোৱা নাই” P109। এনে ধৰণৰ দৃষ্টিভংগীয়ে আমাক দার্শনিক সংশয়বাদ আৰু দার্শনিক আচৰণবাদৰ মাজত থকা দ্বন্দ্বৰ পৰা বিৰত ৰাখিব পাৰে।

মুঠতে ষ্ট্রছনে প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে যে চেতন অৱস্থাসমূহ আৰোপ কৰা একেটা বস্তুতে দৈহিক অৱস্থা বা গুণ ও আৰোপ কৰা হয়। এই চেতনাযুক্ত বিধেয়সমূহ আৰোপ কৰাৰ দুটা দিশ দেখা যায়- স্ব-আৰোপযোগ্য (self ascriptive) আৰু পৰাৰোপযোগ্য (other ascriptive)। যিহেতু উভয়ৰে স্থিতি একে সেয়ে কোনোটোৱে আনটোতকৈ মৌলিক নহয়। তাৰোপৰি তেওঁ কৈছে যে এনে ধৰণৰ দৃষ্টিভংগী তেতিয়াহে সম্ভৱ হৈ উঠিব যেতিয়া আমি ব্যক্তিৰ ধাৰণাৰ মৌলিকত্ব স্বীকাৰ কৰোঁ।

জানি থোৱা ভাল



সংশয়বাদঃ কিছুমান বিশেষ বিষয়বস্তু অথবা যিকোনো বস্তু সম্বন্ধীয় যৌক্তিক বিশ্বাস বা জ্ঞানক অসম্ভৱ বুলি স্বীকাৰ কৰা মতবাদকে সংশয়বাদ বোলে।

আচৰণবাদঃ এই মতবাদে কয় যে মানসিক অৱস্থাসমূহ হৈছে আমাৰ আচৰণগত স্বভাৱৰ যৌক্তিক ৰূপ। ই এজন ব্যক্তিৰ মানসিক দিশবোৰ বর্ণনা কৰে, সেয়ে ই হৈছে এজন ব্যক্তিৰ গাত দেখিবলৈ পোৱা আচৰণৰ বিভিন্ন প্রকৃতি বর্ণনা কৰাৰ এক সহজ পন্থা।

১১.৮ ষ্ট্রৰ্'ছনৰ P- বিধেয় সম্বন্ধীয় ধাৰণাৰ ওপৰত বার্নাড উইলিয়াম্ছৰ অভিমত

বার্নাড উইলিয়াম্ছে তেওঁৰ গ্রন্থ 'Problems of the self' ত ষ্ট্রৰ্'ছনৰ P- বিধেয় সম্বন্ধীয় ধাৰণাৰ কিছুমান আসোৱাঁহ উল্লেখ কৰিছে। তেওঁ কৈছে যে কিছুমান P- বিধেয়ৰ চেতনাৰ লগত কোনো সম্পর্কই নাই যেনে- 'বল খেলি আছে', 'ৰছী এডাল মেৰিয়াই আছে' অথবা 'বহা কোঠাত আছে' আদি। তেওঁ কৈছে, "যিহেতু আমি দেখিবলৈ পাওঁ যে বহুতো P- বিধেয় বাৰুকৈয়ে দৈহিক গুণ সম্পন্ন, গতিকে কোনটো দৈহিক গুণ প্রকৃতার্থত M- বিধেয় সেয়া আমাৰ বাবে আশ্চর্যজনক কথা।" এই বিধেয়বোৰ প্রায়ে সেই ব্যক্তিজনৰ লগত জড়িত দৈহিক ক্রিয়াৰ দ্বাৰা পৰিচালিত হয়। গতিকে সেইবোৰ স্বভাৱগতভাৱে M- বিধেয়ৰ পৰা পৃথক নহয়। আকৌ, 'পাহাৰৰ নামনিলৈ গৈ আছে'- বিধেয়টো আমি এজন ব্যক্তি, এটা কুকুৰ আৰু আনকি এটা নদীৰ ক্ষেত্রতো প্রয়োগ কৰিব পাৰোঁ। এতিয়া ষ্ট্রছনৰ দৃষ্টিত এজন ব্যক্তিৰ ক্ষেত্রত ই P- বিধেয় হ'ব, আনহাতে আন দুটা ক্ষেত্রত ই M- বিধেয় হ'ব।

এয়া উল্লেখ কৰিব পাৰি যে- যেতিয়া এটা নদীৰ ক্ষেত্রত প্রয়োগ কৰা হয় তেতিয়া 'পাহাৰৰ নামনিলৈ গৈ আছে' বিধেয়টো হ'ল এক আলংকাৰিক প্রয়োগ যিটো এজন ব্যক্তিৰ ক্ষেত্রত ইয়াৰ মূলগত আৰু যথার্থ ব্যৱহাৰৰ পৰা নিসৃত কৰা হৈছে। তাৰোপৰি, এইটোও ক'ব পাৰি যে ষ্ট্রছনৰ এটা দোষ হ'ল - তেওঁ নিম্নখাপৰ প্রাণীসমূহৰ বিষয়ে একো কোৱা নাই। এজন মানুহৰ দৰে একেটা অর্থত এটা কুকুৰেও দৌৰে। কিন্তু নিম্নখাপৰ প্রাণীৰ ক্ষেত্রত প্রযোজ্য এটা বিধেয়ক আমি P- বিধেয় বুলি ক'ব পাৰো নে নোৱাৰো- এই ক্ষেত্রত ষ্ট্রছনে একো কোৱা নাই।

আকৌ, যদিও ষ্ট্রৰ্'ছনে ব্যক্তিৰ ধাৰণাটোক শৰীৰ আৰু মন ৰূপে বিশ্লেষণ কৰাৰ বিৰোধিতা কৰিছে, তথাপি তেওঁ কৈছে যে আমাৰ মনটোৰ যৌক্তিকভাৱে এক গৌণ প্রকাৰৰ অস্তিত্ব থাকিব পাৰে। ষ্ট্রছনে কৈছে, "এজন ব্যক্তি এক উদ্ভাষিত মন (ego) নহয়, কিন্তু এটা মন অনুদ্ভাষিত মনৰ অস্তিত্বসূচক এই কথাটো তেওঁৰ পৃথক অস্তিত্ব আৰু চিনাক্তকৰণৰ ধাৰণাটোৰ লগত নিমিলে। কাৰণ এটা অনুদ্ভাষিত মনৰ কোনো দৈহিক গুণ নাথাকে আৰু সেয়ে ইয়াৰ পৃথক অস্তিত্ব থাকিব নোৱাৰে অথবা চিনাক্ত কৰিব পৰা নাযায়। আকৌ, ষ্ট্রৰ্'ছনে ব্যক্তিৰ সংজ্ঞা দি কৈছে যে এজন ব্যক্তিৰ গাত আমি একে সময়তে দৈহিক আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব পাৰো। এই ক্ষেত্রতো আমি সম্ভৱতঃ এটা অনুদ্ভাষিত মনৰ কথা ক'ব নোৱাৰো যদিও মনটোৱে কোনো ধৰণৰ দৈহিক অৱস্থা উল্লেখ নকৰিলেও এজন ব্যক্তি থাকিব পাৰে।

এনেধৰণৰ আসোঁৱাহ থকা স্বত্বেও ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটোৱে আধুনিক বিশ্লেষণাত্মক দর্শনত এক অতি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰকঃ

ক) ডেকার্টৰ মতে, একেটা বস্তুতে আমি দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব নোৱাৰোঁ। (শুদ্ধ/অশুদ্ধ)

খ) ষ্ট্রু'ছনে কৈছে যে ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা (Primitive Concept)। (শুদ্ধ/অশুদ্ধ)

গ) ষ্ট্রু'ছনৰ মতে, ব্যক্তিৰ ধাৰণাটো মন আৰু শৰীৰ ৰূপে বিশ্লেষণ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

ঘ) ষ্ট্রু'ছনে কৈছে যে P - বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্রতহে প্রযোজ্য। (শুদ্ধ/অশুদ্ধ)

ঙ) বার্নাড উইলিয়ামচ্ এজন ষ্ট্রু'ছনৰ ব্যক্তি সম্বন্ধীয় ধাৰণাৰ সমালোচক নহয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং৬ঃ ডেকার্টপন্থীসকলৰ মনৰ (ego) ধাৰণাটো ষ্ট্রু'ছনে কিদৰে সমালোচনা কৰিছে? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং৭ঃ M - বিধেয় আৰু P- বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং৮ঃ ষ্ট্রু'ছনৰ P- বিধেয়ৰ ধাৰণা বুলিলে আপুনি কি বুজে? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....



চিন্তা চর্চা কৰকঃ ১১.২

- ষ্ট্রু'ছনৰ ব্যক্তিৰ ধাৰণাটো সন্তোষজনক হয় নে? আলোচনা কৰক।

উত্তৰঃ .....

.....

● ষ্ট্ৰ'ছনৰ P- বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নাড উইলিয়ামচৰ সমালোচনা আপুনি সমর্থন কৰেনে? আলোচনা কৰক।

উত্তৰঃ .....

.....



১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ষ্ট্ৰ'ছনে কৈছে যে একে সময়তে একেটা বস্তু অর্থাৎ ব্যক্তিৰ গাত দৈহিক গুণ আৰু চেতনা অৱস্থা উভয়কে আৰোপ কৰা হয়।
- ষ্ট্ৰ'ছনৰ ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা এই অর্থতেই যে ইয়াক এক বিশেষ চেতনা অৱস্থা (মন) আৰু শৰীৰলৈ বিশ্লেষণ কৰিব পৰা নাযায়। কাৰণ এজন ব্যক্তি মন আৰু শৰীৰৰ সমাহাৰ নহয়। তেওঁ আকৌ কৈছে যে 'I' আৰু 'Smith' ৰ মাজত কোনো প্ৰকাৰৰ দ্ব্যর্থকতা (Type ambiguity) নাই। অর্থাৎ 'I' আৰু 'Smith দুজন স্বতন্ত্ৰ প্ৰকাৰৰ ব্যক্তি নহয়।
- ডেকার্টপন্থীসকলৰ মতে, এজন ব্যক্তি প্ৰকৃতার্থত দুটা স্বতন্ত্ৰ দ্ৰব্য - মন আৰু শৰীৰৰ এক সমাহাৰ। ইহঁতৰ প্ৰত্যেকৰে স্বকীয় বৈশিষ্ট্য আছে।
- কর্তৃত্ববিহীন মতবাদৰ মতে, আমাৰ চেতন অৱস্থাসমূহ কোনো বস্তুতে আৰোপ কৰিব নোৱাৰি।
- ষ্ট্ৰ'ছনে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে যে যৌক্তিকভাৱে অ- কর্তৃত্বশীল দৃষ্টিভংগীৰ ফালৰ পৰা এজন বিশেষ ব্যক্তিৰ গাত অভিজ্ঞতা আৰু চেতন অৱস্থাসমূহ অনিবার্যভাৱে বিৰাজ কৰে।
- ষ্ট্ৰ'ছনে উল্লেখ কৰিছে যে অভিজ্ঞতা আৰু চেতনাৰ এক বিশেষ অৱস্থা আৰোপ কৰাৰ দুটা দিশ দেখা যায় - এটা হৈছে নিজৰ ক্ষেত্ৰত আৰু আনটো হৈছে অন্য লোকৰ ক্ষেত্ৰত।
- ষ্ট্ৰ'ছনৰ মতে, ব্যক্তিৰ ধাৰণাটো হ'ল প্ৰকৃত দ্ৰব্য বা অস্তিত্বৰ এক প্ৰকাৰ (Type)-ৰ ধাৰণা। অর্থাৎ একেজন ব্যক্তিৰ ক্ষেত্ৰত দৈহিক আৰু মানসিক গুণ উভয়ে সমানে প্ৰযোজ্য হয়।
- ষ্ট্ৰ'ছনে M- বিধেয় আৰু P - বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰিছে। M - বিধেয়বোৰ

জড় শৰীৰত (material bodies) প্ৰয়োগ কৰিব পাৰি কিন্তু তাত চেতন অৱস্থাসমূহ কেতিয়াও প্ৰয়োগ কৰিব পৰা নাযায়। P - বিধেয় বুলিলে আমি হঁহা, খোজকঢ়া, চিন্তা কৰা আদি সকলো ধৰণৰ বিধেয়কে বুজোঁ আৰু এইবোৰ আমি ব্যক্তিৰ গাত আৰোপ কৰোঁ।

- ষ্ট্ৰ'ছনে স্পষ্টভাবে কৈছে M- বিধেয় আৰু P- বিধেয় উভয়কে একেটা বস্তু অৰ্থাৎ ব্যক্তিৰ ক্ষেত্ৰত আৰোপ কৰা হয়।
- ষ্ট্ৰ'ছনৰ ব্যক্তিৰ ধাৰণাটো যদিও আসোঁৱাহমুক্ত নহয়, তথাপি কিন্তু ই আধুনিক বিশ্লেষণাত্মক দৰ্শনত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে।



১১.১০ অধিক জানিবলৈ

1. Sen, P.K. & Verma, R.R. (1995, ed): *The Philosophy of P.F. Strawson,* New Delhi: I.C.P.R.
2. Strawson, P.F. (1974): *Freedom and Resentment and Other Essays,* London: Metheun & Co.Ltd.
3. Shaffer, J.A. (1988): *Philosophy of Mind,* New Delhi: Prentice Hall of India Pvt. Ltd.
4. Ghose, R. (1990) : *The Idea of a Person,* Calcutta: Puthi Pustak.



১১.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ষ্ট্ৰ'ছনৰ মতে ব্যক্তিৰ ধাৰণাটো হ'ল এক মৌলিক ধাৰণা (primitive concept)। কাৰণ, ইয়াক এক বিশেষ মন আৰু শৰীৰলৈ বিশ্লেষণ কৰিব নোৱাৰি।

তেওঁ কৈছে যে একেটা বস্তু অর্থাৎ ব্যক্তিৰ ক্ষেত্রত M - বিধেয় আৰু P - বিধেয় উভয়কে আৰোপ কৰিব পাৰি। এজন ব্যক্তি মন আৰু শৰীৰৰ এক সমষ্টি নহয়। ব্যক্তিৰ ধাৰণাটো যৌক্তিকভাৱে এক বিশেষ চেতন সত্তাৰ পূর্বৱর্তী ধাৰণা। ইয়াক জীৱন্ত শৰীৰ অথবা উদ্ভাসিত জীৱ হিচাপে বিশ্লেষণ কৰিব নোৱাৰি।

৩নং প্রশ্নৰ উত্তৰ ঃ ডেকার্টপন্থীসকলৰ মতে এজন ব্যক্তি হ'ল প্রকৃতার্থত দুটা স্বতন্ত্র দ্রব্যৰ সমষ্টি। এই দ্রব্য দুবিধ হ'ল- মন আৰু শৰীৰ। ইহঁতৰ প্রত্যেকৰে সুকীয়া বৈশিষ্ট্য আৰু গুণ আছে। তেওঁলোকে কৈছে যে চেতন অৱস্থাসমূহ এটা দ্রব্যৰ গাত আৰোপ কৰা হয়। আনহাতে, দৈহিক গুণ আৰু অৱস্থাসমূহ আনটোৰ গাত আৰোপ কৰা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ উইটগেনষ্টাইন আৰু শ্লিকে (Mortic Schlick) অভিমত আগবঢ়াই কৈছে যে আমাৰ চেতনাৰ অৱস্থাসমূহ কোনো বস্তুতেই আৰোপ কৰিব পৰা নাযায় আৰু এই অভিমতকে ষ্ট্র'ছনে আত্মাৰ 'কর্তৃত্ববিহীন মতবাদ' বুলি অভিহিত কৰিছে। 'I' ৰ দুটা ব্যৱহাৰ সম্বন্ধীয় এটা উদাহৰণৰ সহায়ত আমি 'কর্তৃত্ববিহীন মতবাদ'টো বিশ্লেষণ কৰি দেখুৱাব পাৰোঁ। 'I have a toothache' আৰু 'I have a bad tooth'- এই বাক্য যদিও ব্যাকৰণৰ দিশৰ পৰা একে, তথাপি কিন্তু সিহঁত প্রকৃতিগতভাৱে সম্পূর্ণ পৃথক। 'I have a bad tooth'- বাক্যটোত আমি কেৱল দৈহিক দিশৰ ওপৰতহে গুৰুত্ব প্রদান কৰিছোঁ। কিন্তু উইটগেনষ্টাইনে কৈছে যে দাঁতৰ বিষ (toothache) হ'ল এক অভিজ্ঞতা, এক চেতন অৱস্থা, যিকোনো লোকৰে থাকিব নোৱাৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ।

৬নং প্রশ্নৰ উত্তৰ ঃ ডেকার্টপন্থীসকলৰ মতে অভিজ্ঞতা আৰু চেতনাৰ সকলো অৱস্থাকে মনৰ (ego) ক্ষেত্রত আৰোপ কৰিব পাৰি। কিন্তু ষ্ট্র'ছনে এই ক্ষেত্রত এক গুৰুত্বপূর্ণ অভিযোগ উত্থাপন কৰিছে। তেওঁ কৈছে যে কোনো এটা বস্তুৰ গাত এক অভিজ্ঞতা বা অৱস্থা আৰোপ কৰিবলৈ হ'লে সেই বস্তুটো চিনাক্তকৰণ যোগ্য আৰু বিশেষ অস্তিত্বশীলযুক্ত হ'বই লাগিব। কিন্তু অসুবিধাটো হ'ল এয়ে যে যিকোনো দৈহিক গুণ অবিহনে এজন ব্যক্তিৰ মনটো (ego) চিনাক্ত কৰিব নোৱাৰি আৰু ইয়াৰ বিশেষ অস্তিত্ব বুজিব নোৱাৰি। কাৰণ, আকাৰ, আকৃতি, ৰং অথবা অন্য দৈহিক গুণ অবিহনে যিকোনো বস্তুকে 'এইটো' (it) বুলি নির্দেশ কৰিব নোৱাৰি। গতিকে, দৈহিক গুণ অবিহনে আমাৰ মনটোক চিনাক্ত কৰিব পৰা নাযায়। সেয়েহে আমাৰ মনৰ (ego) ওপৰত অভিজ্ঞতা আৰু অৱস্থাসমূহ আৰোপ কৰাটো যুক্তিসংগত নহয়।

৭নং প্রশ্নৰ উত্তৰ ঃ ষ্ট্র'ছনে M- বিধেয় আৰু P- বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰিছে।

M - বিধেয় হ'ল দৈহিক গুণ আৰোপ কৰা বিধেয়। M- বিধেয়সমূহ জড় বস্তুৰ ক্ষেত্রতো প্রয়োগ কৰিব পাৰি কিন্তু তাত চেতন অৱস্থাসমূহ কেতিয়াও প্রয়োগ কৰিব পৰা নাযায়। আনহাতে P- বিধেয়সমূহ হ'ল কেৱল ব্যক্তিৰ ক্ষেত্রত আৰোপ কৰিব পৰা এক প্রকাৰ গুণ। P - বিধেয় বুলিলে আমি আন সকলো বিধেয়কে বুজো যিবোৰ আমি ব্যক্তিৰ ক্ষেত্রত প্রয়োগ কৰোঁ। কিছুমান M- বিধেয়ৰ উদাহৰণ হ'ল - 'দহোটা শিল জুখিছে', 'শোৱনি কোঠাত আছে' আদি। আনহাতে কিছুমান P- বিধেয়ৰ উদাহৰণ হ'ল - 'হাঁহি আছে', 'খোজ কাঢ়ি আছে, 'বিষাইছে', 'খুব চিন্তা কৰি আছে' আদি। এইদৰে দেখা যায় যে P- বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্রতহে আৰোপ কৰিব পাৰি, আনহাতে M- বিধেয়সমূহ ব্যক্তি আৰু জড় বস্তু উভয়ৰে ক্ষেত্রত আৰোপ কৰিব পাৰি।

৮নং প্রশ্নৰ উত্তৰ ঃ ষ্ট্রৱ'ছনৰ মতে P - বিধেয়সমূহ হ'ল কেৱল ব্যক্তিৰ ক্ষেত্রত আৰোপ কৰিব পৰা কিছুমান গুণ। P- বিধেয়ই কেৱল ব্যক্তিৰ ক্ষেত্রত আৰোপ কৰিব পৰা সকলো ধৰণৰ গুণকে বুজায়। সেইবোৰ কেতিয়াও জড় বস্তুৰ গাত আৰোপ কৰিব নোৱাৰি। তথাপি কিন্তু সকলো P- বিধেয়ই 'বুধিয়ক হয়', 'বিমর্ষ অৱস্থাত আছে' আদিৰ দৰে চেতনাযুক্ত বিধেয় নহয়। তেওঁ কৈছে যে 'খোজ কাঢ়ি আছে'- এটা চেতনাযুক্ত বিধেয় নহয় যিহেতু চেতন অৱস্থাৰ লগত প্রত্যক্ষভাৱে ইয়াৰ কোনো সম্বন্ধ নাই। তথাপি কিন্তু ই এক প্রকাৰ P- বিধেয় কাৰণ, ই এজন ব্যক্তিৰ ক্ষেত্রত অভিব্যাপী অর্থত প্রযোজ্য, ই আন কোনো বস্তুৰ ক্ষেত্রতে নহয়।



১১.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ ডেকার্টৰ মতে স্বতন্ত্র দ্রব্য দুবিধ কি কি?

প্রশ্ন ২ঃ P- বিধেয়ৰ উদাহৰণ দিয়ক।

প্রশ্ন ৩ঃ M বিধেয়ৰ উদাহৰণ দিয়ক

প্রশ্ন ৪ঃ মনৰ বৈশিষ্ট্য কি?

প্রশ্ন ৫ঃ 'কর্তৃত্ববিহীন মতবাদ' কোনে আগবঢ়াইছে?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ষ্ট্রৱ'ছনে আলোচনা কৰা প্রতিক্রিয়া কেইটা কি কি?

প্রশ্ন ২ঃ ষ্ট'ছনৰ মতে ব্যক্তি কি?

প্রশ্ন ৩ঃ M - বিধেয় কি?

প্রশ্ন ৪ঃ P- বিধেয় কি?

প্রশ্ন ৫ঃ চেতনাযুক্ত গুণসমূহ আৰোপ কৰাৰ দিশ দুটা কি কি?

প্রশ্ন ৬ঃ কর্তৃত্ববিহীন মতবাদ কি?

প্রশ্ন ৭ঃ 'ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা' - ইয়াৰ যথার্থতা বিচাৰ কৰক।

গ) পার্থক্য নির্ণয় কৰক (১৫০ টা শব্দৰ ভিতৰত লিখক**)**

প্রশ্ন ১ঃ ব্যক্তি সম্বন্ধীয় প্রথম প্রতিক্রিয়া আৰু দ্বিতীয় প্রতিক্রিয়া

প্রশ্ন ২ঃ M- বিধেয় আৰু P- বিধেয়

প্রশ্ন ৩ঃ ডেকার্টপন্থী মতবাদ আৰু কর্তৃত্ববিহীন মতবাদ

ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক**)**

প্রশ্ন ১ঃ কর্তৃত্ববিহীন মতবাদটো সমালোচনামূলকভাৱে আলোচনা কৰক।

প্রশ্ন ২ঃ ষ্ট'ছনৰ দৃষ্টিভংগীৰে ডেকার্টপন্থী মতবাদটো আলোচনা কৰক।

প্রশ্ন ৩ঃ ষ্ট'ছনৰ P- বিধেয়ৰ ধাৰণাটো সমালোচনামূলকভাৱে আলোচনা কৰক।

প্রশ্ন ৪ঃ ব্যক্তি সম্বন্ধীয় প্রথম আৰু দ্বিতীয় প্রতিক্রিয়াৰ মাজৰ বিবাদ আপুনি কিদৰে সমাধান কৰিব? আলোচনা কৰক।

প্রশ্ন ৫ঃ ষ্ট'ছনৰ ব্যক্তিসম্বন্ধীয় ধাৰণাটো আপুনি সন্তোষজনক বুলি ভাবেনে? আপোনাৰ উত্তৰৰ সমর্থনত যুক্তি দর্শাওক।

****